# অসম আদিত্য

RNI REGN. No
epaper.
Portal : ww
e-mail : as

১১ পুহ, ১৯৪৬ শক ■ শুকুৰবাৰ, ২৭ ডিচেম্বৰ, ২০২৪ ■ Asom Aditya, Dibrugarh, Friday, December 27, 2024 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ পৰা প্ৰকাশি



ব।
মার্ছন
সাধাৰ
হজম শক্তি
ভজা-পোৰা
শাক-পাচ


## উন্মুক্ত আকাশৰ তলত ব্যতিক্ৰমী চিন্তাৰ ফচল 'আছাম ৰিড্‌ছ'ৰ পঠন-আলাপ অনুষ্ঠান

# কানৈৰ বাকৰিত নৱপ্ৰজন্মৰ কিতাপ পঢ়াৰ আন্দোলন

**ষ্টাফ ৰিপ'ৰ্টাৰ, ২৬ ডিচেম্বৰ ঃ** অসমত যুৱক-যুৱতীসকলৰ মাজত গ্ৰন্থ অধ্যয়নৰ মানসিকতা নথকা বুলি প্ৰচাৰ হৈ থকাৰ মাজতে ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ বাকৰিৰ সেউজীয়া আৰু উন্মুক্ত আকাশৰ তলত 'আছাম ৰিড্‌ছ'ৰ ষষ্ঠটি সামুহিক পঠন আৰু আলাপ অনুষ্ঠান ২২ ডিচেম্বৰত সফলতাৰে অনুষ্ঠিত হৈ যায়। অনুষ্ঠানত উপস্থিত থাকে কিতাপক ভাল পোৱা ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়, ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ বাণিজ্য মহাবিদ্যালয়, মনোহাৰী দেৱী কানৈ ছোৱালী মহাবিদ্যালয় আৰু অসমৰ বাহিৰত অধ্যয়নৰত বহুসংখ্যক নৱপ্ৰজন্ম। উল্লেখ্য যে 'আছাম ৰিড্‌ছ ঃ এ কমিউনিটি ফ'ৰ ৰিডাৰ্ছ' হৈছে নৱপ্ৰজন্মৰ মাজত সংগঠিত হোৱা এক যুৱ সম্প্ৰদায়। প্ৰতিভাৱান যুৱতী তথা কানৈ মহাবিদ্যালয়ৰ ছাত্ৰী বিদ্যাশ্ৰী শইকীয়াৰ ব্যতিক্ৰমী চিন্তাৰ ফচল 'আছাম ৰিড্‌ছ'। যাৰ লক্ষ্য হৈছে নৱপ্ৰজন্মৰ মাজত কিতাপ পঢ়া তথা গ্ৰন্থ অধ্যয়নৰ জনপ্ৰিয়তা আৰু প্ৰৱণতা বৃদ্ধি কৰা, যুৱ চিন্তাৰ আদান-প্ৰদান আৰু অসমৰ বিভিন্ন ঠাইৰ চুকে-কোণে থকা যুৱ পঢ়ুৱৈসকলক সংগঠিত কৰি ৰখা। ইয়াৰ কৰ্মসূচীসমূহৰ অন্যতম হৈছে সাপ্তাহিক অধ্যয়ন। যাৰ অধীনত প্ৰত্যেক সপ্তাহৰ দেওবাৰৰ দিনটোত পুৱা অথবা বিয়লিভাগত দুঘণ্টাকৈ কোনো নিৰ্দিষ্ট স্থানত স্থানীয় যুৱ পঢ়ুৱৈসকলে কিতাপ পঢ়িব পাৰে। এই অধ্যয়নৰ সময়ছোৱাত তেওঁলোকে ম'বাইল ফোন অথবা ডিজিটেল সা-সামগ্ৰীৰ পৰা আঁতৰি থাকিব। পঢ়াৰ অন্তত যুৱ পঢ়ুৱৈসমাজৰ মাজত সৃষ্টিশীল চিন্তাৰ আদান-প্ৰদান হয়। 'আছাম ৰিড্‌ছ'ৰ দ্বিতীয় কৰ্মসূচী হৈছে কিতাপ পঢ়াৰ মাধ্যমেৰে ন যুৱ লেখকসকলৰ মাজত লিখাৰ যি দক্ষতা সেই দক্ষতা বৃদ্ধি কৰা। তেওঁলোকক উৎসাহ জনাবলৈ নৱ যুৱ লেখকসকলৰ লেখাসমূহ 'আছাম ৰিড্‌ছ'ৰ সামাজিক মাধ্যমত প্ৰকাশ কৰা হয়। উক্ত দিনাৰ অন্তৰংগ আলাপ অনুষ্ঠানৰ বিষয় আছিল 'শিক্ষা আৰু সাহিত্যত পাৰিপাৰ্শ্বিকতা। 'আছাম ৰিড্‌ছ'ৰ মুখ্য আহ্বায়ক, যুৱ প্ৰতিভা বিদ্যাশ্ৰী শইকীয়াৰ পৰিচালনাৰে আৰম্ভ হোৱা অন্তৰংগ আলাপৰ পাতনি মেলা হয় শিশু সাহিত্যিক ভবেন্দ্ৰনাথ শইকীয়াৰ 'গছ ভাল পোৱা ককাৰ খং' শীৰ্ষক কবিতা পাঠেৰে। অনুষ্ঠানত উপস্থিত এজন পঢ়ুৱৈয়ে কবিতাৰ সৃষ্টিৰ নেপথ্যত শইকীয়াৰ জীৱনৰ কিছু ব্যক্তিগত বাস্তৱ অভিজ্ঞতা জড়িত হৈ আছিল বুলি উল্লেখ কৰে। অনুষ্ঠানটোত ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ নয়নজ্যোতি কুৰ্মিয়ে হীৰেন ভট্টাচাৰ্যৰ 'মোৰ দেশ' শীৰ্ষক কবিতাটিৰ মাজেৰে কেনেদৰে মানুহ প্ৰকৃতিৰ সৈতে সংপৃক্ত হৈ আছে তাৰ এক সম্যক ব্যাখ্যা কৰে। ইয়াৰ পিছত ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক চিন্ময় কলিতাই অনুভৱ শীৰ্ষক স্বৰচিত এটি কবিতা আবৃত্তি কৰে। হৰ্ষিত চিৰিং ফুকনে



আবৃত্তি কৰা 'এ ফুল মুন অভাৰ দ্যা লেক' শীৰ্ষক কবিতাটি আছিল অনুষ্ঠানটিৰ অন্যতম আকৰ্ষণৰ বিন্দু। কানৈ মহাবিদালয়ৰ ছাত্ৰী শিল্পী ফুকনে আবৃত্তি কৰা হিন্দী কবিতাৰ ব্যাখ্যায়ো অনুষ্ঠানৰ সময়বোৰ সমৃদ্ধ কৰি ৰাখিছিল। অনুষ্ঠানত মনমানসি শৰ্মাই আবৃত্তি কৰা ৰবাৰ্ট ফ্ৰষ্টৰ 'দ্যা ৰড নট টেকন' শীৰ্ষক কবিতাটোৰ ব্যাখ্যা আগবঢ়াই খুচী গুপ্তাই মানুহৰ জীৱনত কবিতাটোৰ অৰ্থগত ব্যাখ্যা সম্পৰ্কত অনুভৱ ব্যক্ত কৰে। অনুষ্ঠানত ইতিবাচক চিন্তাৰে সমৃদ্ধ বিজ্ঞান ভাল পোৱা ছাত্ৰ উচিয়ে কয় যে বিজ্ঞানও এক সাহিত্য। উদ্যোক্তাসকলে জনোৱা মতে আগন্তুক দিনত প্ৰত্যেক জিলাতে ধাৰাবাহিকভাৱে এই অনুষ্ঠানসমূহ অনুষ্ঠিত হৈ যাব। এনে নতুন ব্যতিক্ৰমী কাৰ্যসূচী কানৈ মহাবিদ্যালয়ৰ সেউজীয়া দলিচাত অনুষ্ঠিত হৈ যোৱাত কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই সকলো অংশগ্ৰহণকাৰী ছাত্ৰ-ছাত্ৰীকে ধন্যবাদ আৰু কৃতজ্ঞতা জনায়।